**SET-4**

**Series SGN**

**Code No. 14**

Candidates must write the Code on the title page of the answer-book.

Roll No. | | | | | | | |

- Please check that this question paper contains **7** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **13** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘন্টা* *সৰ্বমুঠ নম্বৰ : 100*

*Time allowed : 3 hours* *Maximum Marks : 100*

## SECTION A

**1.** (ক) (i) অনিয়মিত ক্ৰিয়া কাক বোলে ? ই কেইবিধ ? *2*

(ii) প্ৰশ্নবোধক অব্যয়ৰ এটা উদাহৰণ দিয়া । *1*

(iii) বিয়োজক অব্যয়ৰ এটা উদাহৰণ দিয়া । *1*

(iv) কৰ্ম অনুসাৰ ক্ৰিয়া কেইবিধ আৰু কি কি ? *1+1=2*

(v) সম্বোধন আৰু সমিধানবোধক অব্যয়ৰ উদাহৰণ কি দেখুওৱা । *1+1=2*

(খ) (i) সুৰীয়া অনুৰূপ-শব্দ কাক বোলে ? উদাহৰণ দিয়া । *1+1=2*

(ii) অনুৰূপ শব্দ কেই প্ৰকাৰৰ ? *1*

(iii) কেতিয়াবা মূল শব্দৰ আদি ধ্বনিত জোৰ দি ধ্বনিটো দুবাৰকৈ উচ্চাৰণ কৰা হয়, তেনে অনুৰূপ-শব্দক কি অনুৰূপ শব্দ বোলা হয় ? *1*

(গ) তলৰ শব্দবোৰত 'ষ' হোৱাৰ কাৰণ দৰ্শোৱা । *1×3=3*

অভিষেক দুষ্ট ভবিষ্যত

(ঘ) (i) তলৰ কোনটো কি সমাস লিখা । *1+1=2*

মাহ-চাউল, পিতল-চকু

(ii) ব্যাসবাক্য ভাঙি সমাসৰ নাম লিখা । *1×3=3*

মৃণালহঁত পান-তামোল সাতবিহু

(iii) সংখ্যাবাচক শব্দৰ লগত অন্য শব্দৰ সমাস হ'লে সেই সমাসক কি বোলা হয় ? *1*

(iv) সমাহাৰ দ্বন্দ্ব কাক বোলে ? উদাহৰণ দিয়া । *1+1=2*

(ঙ) (i) কিহৰ পাচত-যোগ হোৱা বিভক্তিক শব্দ বিভক্তি বোলা হয় ? *1*

(ii) তলত আঁচ টনা শব্দ এটাৰ বিভক্তিৰ নাম লিখা। *1*

হাবিলৈ অকলে নাযাবা ।

বাঘ হাবিত থাকে ।

(চ) বহুবচন বুজোৱা শব্দ 'জাক' আৰু 'গণ' শব্দ দুটাৰে দুটা বাক্য গঠন কৰা । *1+1=2*

(ছ) এটা শব্দত প্ৰকাশ কৰা । *1×4=4*

(i) যাক মূল্য দি কিনিব নোৱাৰি ।

(ii) যি সমাপ্ত হোৱা নাই ।

(iii) যি অলপতে ভয় খায় ।

(iv) দৰমহা নোহোৱাকৈ কৰা কাম ।

(জ) বাক্য ৰচনা কৰা । *1×4=4*

(i) কাণ সৰালি মাৰ

(ii) চফুৰ কুটা দাঁতৰ শাল

(iii) পানীত হাঁহ নচৰা হোৱা

(iv) ভাৰ নচুৱাই থাক ।

## SECTION B

**2.** ভাৱ বহলাই লিখা (***এটাৰ***) । *5*

(ক) নম্ৰতা সজ ব্যৱহাৰৰ অনুপাণ ।

(খ) মনত প্ৰতিজ্ঞা থাকিলে কামত অধ্যাৱসায় বাঢ়ে ।

**3.** যি কোনো ***এটা*** বিষয় লৈ এখন ৰচনা লিখা । *10*

(ক) পৰিশ্ৰমৰ মৰ্য্যাদা

(খ) অসমৰ খাদ্য সমস্যা

(গ) এটি শৈক্ষিক ভ্ৰমণ

## SECTION C

**4.** তলৰ যি কোনো ***এছোৱাৰ*** তাৎপৰ্য্য ব্যাখ্যা কৰা । *4*

(ক) কৰ্মই জীৱন আৰু কৰ্মহীনতাই মৃত্যুস্বৰূপ ।

(খ) কিন্তু বিদেশী ভাষাৰ নাটক একেবাৰেই আমাৰ ৰংগশালাৰ বাহিৰ কৰি দিয়াটোৰো মই বিৰোধী ।

**5.** প্ৰাচ্য আৰু পাশ্চাত্যৰ সমন্বয় সাধনত আনন্দৰাম বৰুৱাৰ স্থান পাঠৰ সহায়ত নিৰ্ণয় কৰা । *6*

**নাইবা**

মোৰ মাতৃমুখ দৰ্শন পাঠটোত লেখকে উল্লেখ কৰা মহাদেৱৰ কৃষি কৰ্মৰ কাহিনীটো তোমাৰ নিজৰ কথাৰে লিখা ।

**6.** (ক) চমু পৰিচয় দিয়া (***দুটাৰ***) । *2×2=4*

ৰুবায়ত, শীলভদ্ৰ, বনফুল

(খ) ‘চকুৰ আগতে দ্ৰৰিদ্ৰতাৰ কেনে জলন্ত শোকলগা দৃশ্য !’ – দৃশ্যটো কি বৰ্ণনা কৰা । *2*

**7.** তলৰ প্ৰশ্নসমূহৰ যথাযথ উত্তৰ দিয়া । *1×4=4*

(ক) ভূদেৱ চৌধুৰী টিংখঙলৈ কিয় গৈছিল ?

(খ) ‘চিঠি’ গল্পটো শীলভদ্ৰৰ কোনখন পুথিৰপৰা লোৱা হৈছিল ?

(গ) শিলভদ্ৰই কোনখন পুথিৰ বাবে সাহিত্য অ’কাদমি বঁটা লাভ কৰিছিল ?

(ঘ) শিলভদ্ৰৰ প্ৰকৃত-নামটো কি ?

**8.** প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা (***এটাৰ***) । *4*

(ক) সব পুৰুষৰ শিৰৰ ভূষণ
তুমিসে বাপু গোবিন্দ ।

(খ) তেঁওৰেহে কৃপা জৰী টনা টনি কৰি,
ল’ৰা-তিৰী আই-ভাই
এই সকলোকে পাই
মৰু জগততো নৰে আছে জীৱ ধৰি ।

**9.** (ক) ‘বিশ্ব খনিকৰ’ নামৰ কবিতাটোৰ মাজেৰে কবিয়ে প্ৰকৃততে কাৰ কথা কৈছে আৰু কি ভাৱে প্ৰকাশ কৰিব বিচাৰিছে ? *6*

**নাইবা**

(খ) মাধৱদেৱৰ ‘বৰগীত’টোৰ মাজেৰে মাক যশোদাৰ মাতৃস্নেহ কিদৰে প্ৰকাশ পাইছে বুজাই লিখা ।

**10.** তলৰ প্ৰশ্নবোৰ যথাযথ উত্তৰ লিখা । *1×4=4*

(ক) কোনখন পুথিৰ বাবে কেশৱ মহন্তই “সাহিত্য অ’কাডেমি” বঁটা লাভ কৰিছিল ?

(খ) ‘পছোৱা’ আলোচনীখন কোনগৰাকী সাহিত্যিকে সমপাদনা কৰিছিল ?

(গ) নাট্যকাৰ হিচাবে আত্মপ্ৰকাশ কৰা জ্যোতি প্ৰসাদ আগৰ ৱালাৰ নাটখনৰ নাম কি ?

(ঘ) ‘ষোড়াশোপচাৰ’ শব্দৰ অৰ্থ কি ?

**11.** তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা । *2×3=6*

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ দুটা বৈশিষ্ঠ্য লিখা ।

(খ) কেশৱ মহন্তৰ কবিতাত ‘জয়ন্তি’ – গোষ্ঠীৰ কবিসকলৰ ভাৱধাৰা কিদৰে প্ৰকাশ পাইছে চমুকৈ লিখা ।

(গ) কবিতাটোত কবিয়ে আজি পৃথিবীৰ আকাশে-বতাহে ‘জনতাৰ আহ্বান’ বুলি কিয় কৈছে ?

**12.** তলৰ ***তিনিটা*** প্ৰশ্নৰ উত্তৰ লিখা । *2×3=6*

(ক) আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে মূল্যবোধ কেইটা আৰু কি কি ?

(খ) 'প্ৰকৃততে মূল্যবোধক সামাজিক দৃষ্টিকোণৰ পৰাহে বিচাৰ কৰা হয় ।' বুজাই লিখা ।

(গ) মনোবিজ্ঞানী সকলে শিশুৰ নৈতিক বিকাশৰ বিষয়ে কেইটা আচৰণৰ বিষয়ে চিনাক্ত কৰিছে আৰু সেই কেইটা কি কি ?

(ঘ) **'নৈতিক'** শব্দটোৰ প্ৰতিশব্দ কি ? এই শব্দটো কোন ভাষাৰ পৰা উৎপত্তি হৈছে ?

**13.** অতি চমুকৈ যথাযথ উত্তৰ দিয়া । *1×4=4*

(ক) শিক্ষাৰ মূল উদ্দেশ্য কি ?

(খ) কি কাৰণে মূল্যবোধ শিক্ষা-প্ৰদান আহবান হিচাবে লোৱা হৈছে ?

(গ) ভাৰতীয় দৰ্শণৰ উৎপত্তি কিহৰ কবে হৈছে ?

(ঘ) মহৰ্ষি উলষ্ঠয়ৰ মতে সৌন্দৰ্য্যবোধ কি ?